# সমাজতত্ত্ব বিভাগ

# প্রতীতি

# প্ৰতীতি

## ২০২৬ - ২৭ বৰ্ষ

দুলীয়াজান মহাবিদ্যালয়

## সমাজতত্ত্ব বিভাগৰ আলোচনী



ষষ্ঠ বাৰ্ষিক প্ৰকাশ

সম্পাদিকা
প্ৰিয়াংক্ষী দত্ত

# সম্পাদনা কক্ষ

- উপদেষ্টা : ড° হেমন্ত দাস, ড° ধ্ৰুৱ হাজৰিকা, ড° অৰুণ ৰয় আৰু শ্ৰীমতী মেঘালী দাস ।
- সম্পাদিকা : প্ৰীয়ংক্ষী দত্ত ।
- সহঃ সম্পাদিকা : হিমাংক্ষী দত্ত ।
- সদস্য-সদস্যা : বনালী হাজৰিকা, জ্যোতিস্মতা দত্ত, উৰ্মিমালা বড়া, পৰী দত্ত, পায়েল সুন্দৰী
- অক্ষৰ বিন্যাস : ৰিংকুমণি গগৈ, জুৰী বৰা, প্ৰিয়া সোণাৰ, নিকিতা শইকীয়া
- বেটুপাত অংকন : ৰিংকুমণি গগৈ, সংস্কৃতি দত্ত ।
- অলংকৰণ : সংস্কৃতি দত্ত, প্ৰিয়াশ্ৰী গগৈ ।
- প্ৰকাশক : সমাজতত্ত্ব বিভাগ ।

# উছৰ্গা

যিসকলৰ অসমী ত্যাগ আৰু আশীৰ্বাদে আমাৰ জীৱনৰ প্ৰতিটো খোজ মণ্ডিত কৰিছে, সেই শ্ৰদ্ধাৰ পিতৃ-মাতৃ আৰু যিসকলৰ জ্ঞান আৰু নিৰন্তৰ প্ৰেৰণাই আমাৰ বৌদ্ধিক জগতখন পোহৰাই তুলিছে, সেই চিৰনমস্য শিক্ষক-শিক্ষয়িত্ৰীসকলৰ চৰণত আমাৰ এই ক্ষুদ্ৰ সৃষ্টি "**প্ৰতীতি**" আলোচনী খন ভক্তিৰে উচৰ্গা কৰিলোঁ।

# কৃতজ্ঞতা স্বীকাৰ


- মাননীয় সভাপতি সমাজতত্ত্ব বিভাগৰ সম্পাদনা কক্ষ।
- মাননীয় দুলীয়াজান মহাবিদ্যালয়ৰ অধ্যক্ষ ড° লোকবিকাশ গগৈ।
- মাননীয় সমূহ শিক্ষক মণ্ডলী আৰু কৰ্মচাৰীবৃন্দ।
- সমাজতত্ত্ব বিভাগৰ সমূহ ছাত্ৰ-ছাত্ৰী আৰু লেখনি দিওঁতা সকল
- সমাজতত্ত্ব বিভাগৰ প্ৰাক্তন অগ্ৰজ ছাত্ৰ-ছাত্ৰী সকল।
- সমাজতত্ত্ব বিভাগৰ ছাত্ৰ বন্ধু সকল।

সম্পাদনা কক্ষ
সমাজতত্ত্ব বিভাগ

# শুভেচ্ছা বাণী

ড° হেমন্ত দাস।
সহযোগী অধ্যাপক আৰু বিভাগীয় মুৰব্বী
সমাজতত্ত্ব বিভাগ, দুলীয়াজান মহাবিদ্যালয়

আমি জানিবলৈ পাই অতি আনন্দিত হৈছোঁ যে দুলীয়াজান মহাবিদ্যালয়ৰ সমাজতত্ত্ব বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে মহাবিদ্যালয় প্ৰতিভা বিকাশ সপ্তাহ উপলক্ষে এখনি হাতেলিখা আলোচনী প্ৰকাশৰ উদ্যোগ হাতত লৈছে। বিভাগটোৰ এনে উদ্যম সঁচাই প্ৰশংসনীয়। ছপা আলোচনীয়েই হওক নাইবা হাতেলিখা আলোচনীয়েই হওক, এখন বিভাগীয় আলোচনীয়ে এজন লেখকৰ প্ৰতিভা বিকাশত বিশেষ ভূমিকা পালন কৰে। সেয়ে সুপ্ত প্ৰতিভা জাগ্ৰত কৰি তোলাত বিভাগীয় আলোচনী এখন সঞ্জীৱনী সুধা বুলিব পাৰি। আশাকৰো সমাজতত্ত্ব বিভাগৰ হাতেলিখা আলোচনী-খনেও বিভাগটোৰ সদস্যসকলৰ এনে আশা পূৰণ কৰিব পাৰিব।

বিভাগটোৰ সকলো শিক্ষক সদস্যৰ হৈ আলোচনীখনৰ সৈতে জড়িত সকলো সদস্য-সদস্যালৈ শুভেচ্ছা জনালোঁ।

ড° হেমন্ত দাস।

স্বাক্ষৰ
ড° হেমন্ত দাস

# WITH WARM WISHES

Dear Students,

As you bring this handwritten magazine to life with your creativity may each page reflect your originality and vivid imagination. Hope you experience the pure joy of expressing yourselves and the excitement of new discoveries.

Warm regard,

Dr. Arun Roy
Assistant Professor
Department of sociology
Duliajan College

# জুবিন গাৰ্গলৈ এঁকাজলি শ্ৰদ্ধাঞ্জলি



জন্ম ১৮-১১-১৯৭২
মৃত্যু ১৯-০৯-২০২৫

অসমীয়া সংগীত জগতৰ এক বিশেষ নাম হৈছে জুবিন গাৰ্গ। তেওঁৰ কণ্ঠত মানুহৰ হৃদয় স্পৰ্শ কৰিব পৰা এক অসাধাৰণ শক্তি আছিল, যাৰ বাবে তেওঁৰ গীতসমূহ আজিও সজীৱ হৈ আছে। তেওঁ কেৱল এজন গায়কেই নাছিল, বৰঞ্চ তেওঁ আছিল গভীৰ অনুভৱেৰে পূৰ্ণ এগৰাকী শিল্পী। জীৱনৰ বিভিন্ন ৰং, সুখ-দুখ, প্ৰেম আৰু বাস্তৱতা তেওঁৰ সুৰ আৰু কথাৰ মাজেৰে স্পষ্টকৈ ধ্বনিত হৈছিল। তেওঁৰ নিজৰ কৰ্ম জীৱনত ৩৮ হাজাৰৰ অধিক গীতত কণ্ঠদান কৰাৰ লগতে অসমীয়া চলচ্চিত্ৰ জগততো গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছিল। 'তুমি মোৰ মাথো মোৰ', 'দিনবন্ধু', 'মিছন চাইনা', 'কাঞ্চনজংঘা', আৰু 'হিয়া দিয়া নিয়া' আদি ছবিত তেওঁ অভিনয় বা সংগীত পৰিচালনাৰ দৰে বিভিন্ন কাম কৰিছিল। এই সৃষ্টিৰাজিয়ে তেওঁৰ বহুমুখী প্ৰতিভাৰ পৰিচয় দাঙি ধৰিছিল।

প্ৰকৃতিৰ সৈতে তেওঁৰ এক গভীৰ আত্মীয়তা আছিল। অসমৰ সেউজীয়া পৰিৱেশ, নৈ-নদী আৰু মাটিৰ সুবাস তেওঁৰ সৃষ্টিত প্ৰতিফলিত হৈছিল। সেইবাবেই তেওঁ আজিও প্ৰকৃতিৰ বুকুত চিৰ জীৱন্ত হৈ থকা যেন অনুভৱ হয়। শাৰীৰিকভাৱে তেওঁ আজি আমাৰ মাজত নাথাকিলেও তেওঁৰ অমৰ সুৰ আৰু সৃষ্টিসমূহ সদায় আমাৰ হৃদয়ত জীয়াই থাকিব। আমি তেওঁৰ এই অমূল্য অৱদানক সশ্ৰদ্ধে স্মৰণ কৰিছোঁ আৰু তেওঁ আত্মাৰ চিৰশান্তি কামনা কৰিছোঁ।

# দুলীয়াজান
# মহাবিদ্যালয়ৰ গীত

ৰচনা: ড° হিতেশ বৰদলৈ　　　　　সুৰ: দিলীপ তামুলী

প্ৰজ্বলিত আমাৰ দীপৰ অঞ্জলি
সাধনাৰ থালনাত থওঁ,
তিমিৰ নাশৰ গান আনিছো
আহা একেলগে গাওঁ ।।

আমি তীৰ্থৰ জ্ঞানমালিনী
জ্ঞানৰ মালা গাঁথিছো,
অজ্ঞানৰ সাধনাত মৰ্দন আমি
সাগৰ মন্থন কৰিছো
ঐক্য শান্তিৰ বাণী আনিছো
আহা একেলগে লওঁ ।।

স্নান কৰিছো সৰে আজি
জোনাকৰ বৰষুণ পৰিছে ।
নতুন দিনৰ নৈ-মলয়াই
আমাক মতলীয়া কৰিছে,
আমাৰ সপোনে জগত জিনিব
আঁহা কথাটি কওঁ,
আঁহা একেলগে কওঁ ।।

# সূচীপত্ৰ

কবিতা —


| | | Pg. NO- |
|---|---|---|
| ১/ শূন্যতাৰ দস্তাবেজ | ~ বৰ্ণালী হাজৰিকা | 1 |
| ২/ শ্ৰমৰ শিকলি | ~ শিৱানী গগৈ | 2 |
| ৩/ নিজক বিচাৰি | ~ প্ৰিয়াংক্ষী দত্ত | 3 |
| ৪/ বিষাদৰ টোপোলা | ~ ৰিংকুমনি গগৈ | 4 |
| ৫/ স্মৃতিৰ সুবাস | ~ টুম্পী চেতিয়া | 5 |
| ৬/ যান্ত্ৰিক সভ্যতাৰ কোলাহল | ~ মায়া শৰ্মা | 6 |
| ৭/ Society in the Screen | ~ Tanvi Barla | 7 |
| ৮/ The Graduation | ~ Tanvi Barla | 8 |
| ৯/ वक्त की चोट | ~ निक्की कुमारी शाय | ९ |


প্ৰবন্ধ —


| | | |
|---|---|---|
| ১/ অবিনাশী সৃষ্টি আৰু এক অমৰ সত্তা: জুবিন গাৰ্গ | ~ বৰ্ণালী হাজৰিকা | 10-11 |
| ২/ ডিজিটেল নিৰ্জনতা আৰু হেৰাই যোৱা চোতালখন | ~ প্ৰিয়াংক্ষী দত্ত | 12 |
| ৩/ শিক্ষা আৰু সমাজ: এক অবিচ্ছেদ্য সম্পৰ্ক | ~ পায়েল মহৰী | 13 |
| ৪/ জুবিন গাৰ্গ: যন্ত্ৰণাৰ সুৰত আত্মাৰ প্ৰতিধ্বনি | ~ পাৰি দত্ত | 14-15 |

৫/ आत्म - खोज का महत्व ~ उर्मीमाला बोराह 16

৬/ The Unruly Spirit ~ Niharika Gogoi 17-18

৭/ Humans Need Humans ~ Himagkhee Dutta 19

৮/ The War Within The Battle Without weapons ~ Priyankhi Dutta 20-21

৯/ The Pressure to Be Perfect in Modern Society ~ Tanvi Barla 22-23

গ্ৰন্থ পৰ্যালোচনা —

১/ "মোৰ সত্য অন্বেষণৰ কাহিনী" ~ ৰিংকুমনি গগৈ 24

২/ "মোৰো এটা সপোন আছে" ~ জ্যোতিস্মতা দত্ত 25-26

ব্যংগ ৰচনা —

১/ এজন ছাত্ৰৰ দৃষ্টিত দুৰ্নীতি ~ নিকিতা শইকীয়া 27

২/ ডিজিটেল অন্ধবিশ্বাস ~ ঝৰ্ণা সোণোৱাল 28-29

অন্যান্য —

১/ মহৎ লোকৰ বাণী 30-31

২/ কুইজ 32-33

৩/ কলা 34-35

# কবিতাৰ শিতান

# POEMS

# শূন্যতাৰ দস্তাবেজ

সময়ৰ কেনভাচত জীৱনৰ ছবিবোৰ
এতিয়া ধূসৰ,
আজিকালি আগৰ দৰে
একোতেই আৰু অনুৰাগ জাগত নহয়।
প্ৰিয় সুৰবোৰো হৈ পৰিছে
এতিয়া কেৱল বিৰক্তিকৰ;
কোঠাৰ কোনোবা এটা নিভৃত কোণত
স্থায়ী ঠিকনা হৈ পৰিছে প্ৰিয় উপন্যাসখনৰ

নিঃসংগতা মোৰ কাম্য নহয় যদিও,
সময়বোৰ এতিয়া —
কেৱল নিজৰ মাজতেই সীমাবদ্ধ।
বয়সৰ তুলনাত মনৰ অৱস্থা
এতিয়া প্ৰায় জৰাজীৰ্ণ।

প্ৰিয় বুলি এতিয়া আৰু একো নাই।
মাথোঁ আঁতৰাই গৈছোঁ,
কালৰ অনিয়ন্ত্ৰিত সোঁতত;
দিগভ্ৰান্ত হৈ ----
ক্ৰমশঃ বঠা হেৰুওৱা নাবিকৰ দৰে।

— বৰ্ণালী হাজৰিকা
ষষ্ঠ ষাণ্মাসিক

# ভ্ৰমৰ শিকলি

অন্ধকাৰত ভূত নাথাকে,
থাকে মাথো মনৰ সংশয়।
যুক্তিহীন চিন্তাই জন্মদিয়ে কাল্পনিক ভয়।
কু-সংস্কাৰৰ শিকলি ছিঙি,
যিদিনা মুকলি হ'ব মন,
সিদিনাহে সমাজত আহিব প্ৰকৃত উত্তৰণ।

অন্ধবিশ্বাস এটি মানসিক ব্যাধি
এক নিৰৰ্থক ভ্ৰম।
বিবেকক কৰে পংগু,
সমাজৰ প্ৰগতিৰ গতি কৰে মন্থৰ;
আহক আমি যুক্তিৰ চাকি জ্বলাই অন্ধকাৰক বিদায় দিওঁ,
অজ্ঞানতাৰ মোহ ভাঙি এখন যুক্তিবাদী সমাজ গঢ়োঁ।

— শিৰাণী গগৈ
ষষ্ঠ ষাণ্মাসিক

# নিজক বিচাৰি

ভিৰৰ মাজতো কেতিয়াবা
নিজেই নিজক হেৰুৱাই পেলাওঁ,
হাঁহিভৰা মুখখনিৰ আঁৰত
নিঃশব্দে কিমান যে কথা লুকুৱাওঁ

প্ৰশ্নবোৰে এদিন আহি মোৰ
বুকুৰ দুৱাৰত টোকা মাৰি সোধে -
"এই ভিৰৰ মাজত মই আচলতে কোন ?"
যাৰ উত্তৰ মোৰ মৌনতাইহে জানে ।

বিশাল আকাশৰ নীলা খিনিৰ দৰেই
মোৰ সপোনবোৰো আছিল ,
দিগন্ত প্ৰসাৰী....
কিন্তু অজান সংশয়ে কেতিয়াবা
সেইকো দুখনত দিয়ে আঘাত হানি ।

তথাপিও মই এদিন থমকি নৰওঁ,
নিজৰ বাবে এক নতুন পথ গঢ়িম,
হেৰাই যোৱা সেই 'মই' জনীক
নিশ্চয়কৈ আকৌ এবাৰ বিচাৰি পাম ।

— প্ৰিয়াংশী দত্ত
ষষ্ঠ ষাণ্মাসিক

# বিষাদৰ টোপোলা

নিশাৰ দুখ যেতিয়া টোপাল হৈ নামে
বিয়লি পৰে বুকুৰ এচুকত
এক অচিনাকি বেদনা ।
মনৰ পদূলিত....
লোকোৱা কথাবোৰে আমনি কৰেহি ।
যেন এটি আধৰুৱা,
পুৰণি সংগীতৰ সুৰ
চকুৰ পানীয়েই যে দুখ নহয়,
দুখ মানে....
মৌনতাৰে কটোৱা বিশাল সময় ।
ৰৈ যোৱা স্মৃতিৰ খোজত
যেতিয়া মেলাই ধৰে,
অকলশৰীয়া জোনটোৱে
দুখৰ কবিতা পঢ়ে ।
হাঁহিৰ আৰতো এখন দুখৰ সপোন,
য'ত হেৰাই গ'ল আপোন ।
দুখৰ সাগৰৰ দৰে
যাৰ নাই পাৰ,
তথাপি এই দুখতেই
হেপাহ জীয়াই থকাৰ সপোন,
বুকুত গোটাই মেৰা বিষাদৰ টোপোলা,
আন্ধাৰ হলে জ্বলি উঠে,
এটি সৰু চাকিৰ শলিতা ।

— ৰিংকুমণি গগৈ
দ্বিতীয় ষাণ্মাসিক

# স্মৃতিৰ সুবাস

শৈশৱৰ মিঠা স্মৃতিৰ সুবাহ...
যেন, হেৰাই গ'ল কোনোবা অজান দেশলৈ ।
আকাশত উৰি ফুৰা কুঁমলীয়া মনটো ,
আজি যেন হেৰাই গ'ল প্ৰকৃতিৰ মাজত ,
স্মৃতিৰ সুবাহবোৰ যেন নোহোৱা হ'ব ধৰিছে ,
ধূলিৰ সৈতে মিলি গৈছে বন্ধুত্বৰ এনাজৰী ।
ধীৰে ধীৰে হেৰাই যাব ধৰিছে,
মা- দেউতাৰ সপোন ,
সপোনবোৰ যেন এতিয়া ম্লান ।
ভাললগা সময়ো যেন হেৰাই গৈছে ,
ক'ব নোৱাৰাকৈ !
হৃদয়ত ৰৈ গৈছে মাথো পাহৰিব নোৱাৰা স্মৃতি ,
আজিও কব নোৱাৰো .....
ভৱিষ্যত আকৌ ঘূৰাই পামনে ?
এই মিঠা স্মৃতিৰ সুবাস ......

— চুমকী চেতিয়া
দ্বিতীয় ষাণ্মাসিক

# যান্ত্ৰিক সভ্যতাৰ কোলাহল

কংক্ৰিটৰ জংঘলত হেৰাল মানুহ
যন্ত্ৰৰ পৃথিৱীত অনুভূতি মৃতপ্ৰায়
ব্যস্ত পথত দৌৰা প্ৰতিটো খোজত
আপোনাক পাহৰি অজানাৰ হ ধাৱমান

সভ্য সমাজৰ দেৱালত অসত্যৰ জয়গান,
নিৰীহৰ তেজেৰে ৰাঙলী ধৰাখন
মৰমৰ এধানি সুবাস বিচাৰিবলৈ আজৰি নাই
স্বাৰ্থৰ দাবানল জ্বলিছে মানৱতাৰ আগত

দুখীয়াৰ চকুপানী বালিচৰত হেৰায়
ধনীৰ অট্টালিকাত বিলাসিতাৰ হাঁহি
কবিতাৰ পংক্তিয়ে বিচাৰে সমাজৰ পৰিৱৰ্তন।
মানুহৰ মন মগজুত জাগক নৱজাগৰণ

— মায়া শৰ্মা
দ্বিতীয় ষাণ্মাসিক

# Society In The Screen

In glowing screens, we shape our days
With silent taps and endless scrolls
We share our lives in fragments small
Yet hide the weight within our souls

Faces smile through filtered frames
Perfect moments neatly shown
But behind the light of every screen
Many hearts still feel alone

We talk in likes and brief replies
In stories that fade away
Conversations grow more digital
While real words slowly decay

Crowded feeds and countless voices
Still, distance quietly grows
We know each other's daily lives
Yet not the pain nobody shows

Together in this virtual world
Yet strangers in reality
Connected more than ever before
But losing human closeness silently

And somewhere in this modern life
Between what's real and what's unseen
Society slowly finds its place
Living more inside the screen.

– Tanvi Barla
B.A 6th Semester

# THE GRADUATION

Here comes the graduation
Here comes reality
A world of flexibility
An openess to what will be

A path toward the unknown
Where courage must unfold
Dreams begins to take their shape
And hearts try to be bold

Tensions and stress overflow the mind
Questions whisper, "what's next!"
Fear walks quietly beside us
As we leave what we knew best

Childhood was the safest place
Simple days, carefree again
Sometimes we wish to go back
To be those kids once again

Stepping into the real world now
Leaving notebooks and routines behind
Welcoming new paths of life
With hope and dreams combined

For a better future we move ahead
Through uncertain roads we see
Graduation is not just an ending -
It's who we're about to be.

— Tanvi Barla
B. A 6th Semester

# वक्त की चोट

वक्त चुप है, पर हर घाव दिखता है,
जो खो गया, वही सबसे ज्यादा रुलाता है।

रातों की नींद, आँखो के सपने,
सब इसकी आग मे जल जाते।
कभी खाली हाथ, कभी टूटता मन,
हर मोड़ पे करता है, ये परीक्षण।
"कल कर लेंगे" कहकर जो सो जाता है,
वही इंसान उम्र भर पछताता है।

पर जो हर दर्द को ताकत बनाले,
वक्त से लड़कर खुद को सजा ले,
वही लिखता है, अपनी पहचान -
वक्त भी झुकता है उसके सामने एक दिन।

निक्की कुमारी राई

# প্ৰবন্ধৰ শিতান

# ARTICLES

# অবিনাশী সৃষ্টি আৰু এটি অমৰ সত্তা : জুবিন গাৰ্গ

"মৃত্যুটো এটা শিল্প,
জীৱনৰ কঠিন শিলত কটা নিৰ্লোভ ভাস্কৰ্য,
শিল্পীৰ জানো মৃত্যু হয় !"

সময় আছিল ২০২৫ চনৰ ১৯ ছেপ্তেম্বৰৰ সেই কৰুণ দুপৰীয়াটো। চাৰিওফালে বিয়পি পৰিছে এটা খবৰ, ছিংগাপুৰৰ মৃত্যু হৈছে জুবিন গাৰ্গৰ, সিমানতেই অন্ত পৰিছে এটা যুগৰ। ছিংগাপুৰৰ পৰা ভাঁহি অহা এটা সংবাদে যেন মুহূৰ্ততে সমগ্ৰ অসমৰ আকাশ বতাহ নিস্তব্ধ কৰি পেলালে। সকলো সুৰ, সকলো উৎসাহ আৰু হাজাৰ হাজাৰ অনুৰাগীৰ বুকুত সজীৱ হৈ থকা আকাৰ প্ৰদীপ যেন থমকি ৰল কাৰণ জুবিনেই যেন জীৱন আছিল কিংশ আজিকাৰ আজিৰো প্ৰজন্মৰ। সেই দিনটো মোৰ জীৱনৰ এক অবিস্মৰণীয় অথচ দুখৰ সাগৰত বিলীন হোৱা এটি অধ্যায় হৈ ৰৈ গ'ল। অসমৰ তথা ভাৰতৰ সংগীত আকাশৰ উজ্জ্বল নক্ষত্ৰ, এগৰাকী বহুমুখী প্ৰতিভাসম্পন্ন শিল্পী জুবিন গাৰ্গ, তেওঁ কেৱল এজন কণ্ঠশিল্পীয়েই নাছিল, বৰঞ্চ তেওঁ আছিল এজন দক্ষ সংগীত পৰিচালক, গীতিকাৰ, অভিনেতা, চলচ্চিত্ৰ প্ৰযোজক, চলচ্চিত্ৰ পৰিচালক, চিত্ৰনাট্যকাৰ, বাদ্যযন্ত্ৰী, কবি আৰু এগৰাকী নিঃস্বাৰ্থ সমাজকৰ্মী। এই বিয়াগোম সত্তাটোৰ মহাপ্ৰয়াণৰ খবৰটো যদিও বাস্তৱ আছিল, তথাপিও যেন সেই নিষ্ঠুৰ সত্যক মানি লব পৰা নাছিলো।

প্ৰথমে অনুভৱ হৈছিল - এয়া নিশ্চয় এক বিভ্ৰান্তিকৰ বাতৰি, কাৰণ এনে মানুহ কেতিয়াও হেৰাই নাযায়, তেওঁলোকে সদায় হৃদয়ত সজীৱ হৈ থাকে। কিন্তু সময়ে লাহে লাহে সেই সত্যটো মোৰ আগত উন্মোচিত কৰি দিলে। মোৰ বুকুৰ মাজত যেন এক অদৃশ্য বেদনা গঢ়ি উঠিল, যাক কোনো শব্দৰে প্ৰকাশ কৰিব নোৱাৰি। মোৰ স্মৃতিৰ পাতত একেলগে সজীৱ হৈ উঠিল তেওঁৰ কণ্ঠত প্ৰাণ পাই উঠা সেই অজস্ৰ কালজয়ী সৃষ্টিৰাজি। তেওঁৰ সুৰবোৰেই আমাক প্ৰেমৰ পবিত্ৰতা শিকাইছিল, বিৰহৰ দুখক আকোৱালি লবলৈ সাহস দিছিল আৰু জীৱনৰ কঠিন মুহূৰ্তবোৰক এক নতুন দৃষ্টিৰে চাবলৈ অনুপ্ৰাণিত কৰিছিল। তেওঁৰ কণ্ঠত আছিল বিৰহৰ দহন, প্ৰেমৰ মাদকতা আৰু বিদ্ৰোহৰ তীব্ৰতা। মই অকলে সেই মৰ্মবেদনা অনুভৱ কৰা নাছিলোঁ, বৰঞ্চ সমগ্ৰ অসমবাসীৰ হৃদয়ত সেইদিনা এক গভীৰ শূন্যতাই বিৰাজ কৰিছিল। কোনোবাই চকুলো লুকুৱাই নীৰৱে শোকত ম্ৰিয়মাণ হৈছিল, আকৌ কোনোবাই তেওঁৰ গানৰ কলিবোৰৰ মাজতেই অলপ মানসিক প্ৰশান্তি বিচাৰি পাইছিল।

সময়ৰ সোঁতত জীৱনৰ গতি স্তব্ধ হোৱা নাই যদিও কিছুমান স্মৃতি কেতিয়াও ম্লান নহয় ; বৰঞ্চ সময়ৰ বিৱৰ্তনৰ লগে লগে সেইবোৰ আৰু অধিক গভীৰ আৰু উজ্জ্বল হৈ ধৰা দিয়ে । আজিও যেতিয়া তেওঁৰ কণ্ঠৰ সেই চিনাকি সুৰ কাণত পৰে, মুহূৰ্ততে অনুভৱ হয় যেন তেওঁ আমাৰ মাজৰ পৰা কেতিয়াও বিলীন হৈ যোৱা নাই. তেওঁ এতিয়াও বিৰাজমান প্ৰতিটো শব্দত, প্ৰতিটো মূৰ্চ্ছনাত আৰু আমাৰ হৃদয়ৰ প্ৰতিটো নিভাঁজ অনুভৱত । যিমান দিনলৈকে লুইতৰ বুকুত ঢৌ তৰংগ থাকিব, যিমান দিনলৈকে আমাৰ জাতীয় উৎসৱ বিহু থাকিব, সিমান দিনলৈকে জুবিন গাৰ্গ আমাৰ বুকুৰ স্পন্দন হৈ প্ৰতিজন অসমীয়াৰ মাজত জীয়াই থাকিব ।

প্ৰকৃততে জুবিন গাৰ্গ কেৱল এজন ব্যক্তি নহয়, তেওঁ প্ৰতিজন অসমীয়াৰ বাবে এক চিৰন্তন আবেগ, এক সুকীয়া পৰিচয় আৰু এক বিশাল সত্তা । তেওঁ বাহ্যিকভাৱে আমাৰ মাজৰ পৰা আঁতৰি তেওঁৰ নশ্বৰ দেহটো হয়তো পঞ্চভূতত বিলীন হৈ গলেও তেওঁৰ কালজয়ী সৃষ্টিৰাজি আৰু অনবদ্য অৱদান চিৰকাল অক্ষুণ্ণ হৈ ৰ'ব । তেওঁ দি যোৱা সহস্ৰ গীত, তেওঁৰ চলচ্চিত্ৰ আৰু তেওঁৰ বলিষ্ঠ চিন্তাধাৰাই অসমৰ নৱ - প্ৰজন্মৰ প্ৰতিটো খোজতে প্ৰেৰণা আৰু পথ প্ৰদৰ্শন কৰি যাব । শিল্পীৰ শৰীৰ মৰণশীল হ'ব পাৰে কিন্তু তেওঁৰ অনুপম সৃষ্টিৰাজিৰ মাজেৰে আমাৰ হৃদয়ত অমৰ হৈ জীয়াই থাকিব ।

— বনালী হাজৰিকা
ষষ্ঠ ষাণ্মাসিক

# ডিজিটেল নিৰ্জনতা আৰু হেৰাই যোৱা চোতালখন

সময়ৰ চকা ঘূৰিছে। আমি এতিয়া এনে এক যুগত বাস কৰিছোঁ য'ত পৃথিৱীখন আমাৰ হাতৰ মুঠিত, কিন্তু আমাৰ একেবাৰে কাষৰ মানুহজনৰ পৰা আমি যেন বহু যোজন দূৰত। এজন ডিগ্ৰী মহলাৰ শিক্ষাৰ্থী হিচাপে যেতিয়া সমাজৰ এই দ্ৰুত পৰিৱৰ্তনবোৰ লক্ষ্য কৰোঁ, তেতিয়া মনলৈ এটা শব্দ বাৰে বাৰে আহে - 'ডিজিটেল নিৰ্জনতা'।

একসময়ত আমাৰ সমাজখন আছিল 'চোতাল' কেন্দ্ৰিক। গধূলি হ'লে চুবুৰীৰ মানুহ একাইতে গোট খাইছিল, কথা পাতিছিল আৰু সুখ-দুখৰ ভাগ লৈছিল। সেই চোতালখন আছিল এক আনুষ্ঠানিক সামাজিক পাঠশালা। কিন্তু আজি সেই চোতালবোৰ সংকীৰ্ণ হ'ল আৰু আমাৰ সামাজিক সম্পৰ্কবোৰ স্মাৰ্টফোনৰ ৫ ইঞ্চিৰ স্ক্ৰীণখনত আবদ্ধ হৈ পৰিল। আমি ফেচবুক বা ইনষ্টাগ্ৰামত হাজাৰজনৰ লগত 'কানেক্টেড', কিন্তু নিজৰ মনৰ কথাখিনি পাতিবলৈ আমাৰ ওচৰত এজনো প্ৰকৃত মানুহ নাই। এয়া এক বিচিত্ৰ বিৰোধাভাস- আমি আজি ভিৰৰ মাজতো ভীষণ অকলশৰীয়া।

প্ৰযুক্তিয়ে আমাক অলেখ সুবিধা দিছে সঁচা, কিন্তু ই আমাৰ পৰা কাঢ়ি নিছে আমাৰ 'মৌলিকতা' আৰু 'ধৈৰ্য'। আজি আমি যিকোনো তথ্য ইণ্টাৰনেটত এটা ক্লিকতে পাওঁ, কিন্তু সেই তথ্যক গভীৰভাৱে বিশ্লেষণ কৰাৰ ক্ষমতা আমাৰ কমি আহিছে, আনকি আমাৰ আৱেগবোৰো এতিয়া কেৱল 'ইম'জি'ৰ (Emoji) মাজতে সীমাবদ্ধ। মানুহৰ চকুত চকু থৈ কথা পতাৰ যি নিভাঁজ আনন্দ, তাক আজি 'ভিডিঅ' কল' বা 'টেক্সট মেছেজে' চেৰ পেলাইছে।

সমাজ এখন তেতিয়াহে প্ৰাণৱন্ত হয়, যেতিয়া তাৰ মানুহবোৰৰ মাজত যান্ত্ৰিকতাতকৈ আন্তৰিকতা বেছি থাকে। কেৱল ডিজিটেল 'লাইক' বা 'কমেণ্টেৰে' এখন সুস্থ সমাজ গঠন হ'ব নোৱাৰে। আমাক পুনৰ সেই 'চোতালখন' লাগে - য'ত মানুহৰ মুখৰ হাঁহিটোত কোনো কৃত্ৰিমতা নাথাকে, য'ত কথা পাতিলে একোটা গধূলি নিমিষতে পাৰ হৈ যায়। এজন সচেতন শিক্ষাৰ্থী হিচাপে আমাৰ দায়িত্ব হ'ল প্ৰযুক্তিক প্ৰয়োজনত ব্যৱহাৰ কৰা, কিন্তু প্ৰযুক্তিৰ হাতত নিজৰ অস্তিত্ব বিলীন হ'বলৈ নিদিয়া। আহক, আমি ফোনৰ নোটিফিকেচনৰ শব্দতকৈ কাষৰ মানুহজনৰ মাততো বেছি গুৰুত্ব দিওঁ। ডিজিটেল নিৰ্জনতাৰ পৰা ওলাই আহি আমি পুনৰ এজন প্ৰকৃত 'সামাজিক মানুহ' হৈ জীয়াৰ সংকল্প লওঁ।

— প্ৰিয়াংক্ষী দত্ত
ষষ্ঠ ষাণ্মাসিক

# শিক্ষা আৰু সমাজ : এক অবিচ্ছেদ্য সম্পৰ্ক

শিক্ষা হ'ল সমাজৰ প্ৰাণস্পন্দন আৰু সভ্যতাৰ মেৰুদণ্ড। কোনো এখন সমাজ কিমান উন্নত, সেয়া নিৰ্ভৰ কৰে সেই সমাজখনৰ শৈক্ষিক চৰিত্ৰৰ ওপৰত। শিক্ষা কেৱল চাৰিবেৰৰ মাজত লোৱা আনুষ্ঠানিক পাঠ্যক্ৰমেই নহয়, ই হ'ল মানুহৰ বিবেকক জাগ্ৰত কৰাৰ এক নিৰন্তৰ প্ৰক্ৰিয়া। সমাজ আৰু শিক্ষা এটা মুদ্ৰাৰ দুটা পিঠিৰ দৰে এখন সুস্থ সমাজৰ বাবে যিদৰে শিক্ষাৰ প্ৰয়োজন, ঠিক তেনেদৰে শিক্ষাৰ প্ৰসাৰৰ বাবেও এখন সুস্থ সমাজৰ আৱশ্যক।

মানুহৰ জন্মগতভাৱে একো একোটা সামাজিক শ্ৰেণী, কিন্তু এই প্ৰাণীক একজন সু-নাগৰিক হিচাপে গঢ়ি তোলে। শিক্ষাই সমাজৰ বৌদ্ধিক আৰু মানসিক বিকাশৰ ভেটি স্থাপন কৰে। এখন শিক্ষিত সমাজে অন্ধবিশ্বাস, কুসংস্কাৰ আৰু সাম্প্ৰদায়িকতাৰ দৰে সামাজিক ব্যাধিক যুক্তিৰ জোৰেৰে নেওচিব পাৰে। নৈতিকতা অবিহনে সমাজ এখন কেতিয়াও শৃংখলিত হ'ব নোৱাৰে। শিক্ষাই ব্যক্তিক সততা, মানৱতা আৰু সহনশীলতাৰ পাঠ দিয়ে, যাৰ ফলত সমাজত অপৰাধমূলক প্ৰৱণতা হ্ৰাস পায় আৰু এক সুস্থ পৰিৱেশ গঢ়ি উঠে।

শিক্ষাৰ আন এক গুৰুত্বপূৰ্ণ ভূমিকা হ'ল সামাজিক সমতা স্থাপন কৰা। এখন প্ৰকৃত উন্নত সমাজত ধনী-দুখীয়া বা জাতি-ধৰ্মৰ ভিত্তিত বৈষম্য থকাটো অনুচিত। শিক্ষাই মানুহৰ মাজত থকা বিভেদৰ দেৱাল ভাঙি মিলাপ্ৰীতি আৰু ভাতৃত্ববোধৰ সৃষ্টি কৰে। বিশেষকৈ নাৰী শিক্ষাৰ প্ৰসাৰে সমাজৰ এটা বৃহৎ অংশক শক্তিশালী কৰি সামগ্ৰিক উন্নয়নত গতি প্ৰদান কৰে। অৱশ্যে একবিংশ শতিকত শিক্ষাৰ হাৰ বৃদ্ধি পাইছে যদিও ইয়াৰ গুণগত মানক লৈ আজিও প্ৰশ্ন উত্থাপন হয়। বৰ্তমানৰ শিক্ষা ব্যৱস্থা বহু পৰিমাণে কেৱল জীৱিকা-কেন্দ্ৰিক হৈ পৰা পৰিলক্ষিত হৈছে, যাৰ ফলত প্ৰকৃত মানবীয় শিক্ষাৰ কিছু অভাৱ থাকিছে।

সামৰণিত ক'ব পাৰি যে এখন আদৰ্শ সমাজ গঢ়াৰ মূল চাবিকাঠি হ'ল জ্ঞানৰ প্ৰসাৰ। শিক্ষাই মানুহক কেৱল নিজৰ অধিকাৰৰ প্ৰতিয়েই নহয়, সমাজৰ প্ৰতি থকা নিজৰ দায়িত্বৰ প্ৰতিও সচেতন কৰি তোলে। সেয়েহে শিক্ষাৰ পোহৰ সমাজৰ প্ৰতিটো স্তৰলৈ নিয়াটো আমাৰ প্ৰতিজনৰ নৈতিক কৰ্তব্য। এখন প্ৰকৃত শিক্ষিত সমাজেই পাৰে বিশ্বৰ দৰবাৰত নিজৰ দেশক মৰ্যদা সহকাৰে প্ৰতিষ্ঠা কৰিবলৈ।

— পায়েল মহুৰী
ষষ্ঠ ষাণ্মাসিক

# জুবিন গাৰ্গ : যন্ত্ৰণাৰ সুৰত আশাৰ প্ৰতিধ্বনি

অসমৰ মাটিত এনে কিছুমান মানুহৰ জন্ম হয়, যিসকলে কেৱল নিজৰ বাবে জীয়াই নাথাকে, তেওঁলোকে জীয়াই থাকে এটা জাতিৰ আত্মাক সুৰৰ ভাষাত প্ৰকাশ কৰিবৰ বাবে। সংগীতৰ জৰিয়তে এটা জাতিক একত্ৰিত কৰিব পৰা ক্ষমতা থকা আধুনিক অসমৰ সৰ্বাধিক শিল্পীজনেই হ'ল জুবিন গাৰ্গ, তেওঁৰ কণ্ঠত যিদৰে বিৰহৰ গভীৰ যন্ত্ৰণা আছে ঠিক সেইদৰেই আছে জীৱনক নতুনকৈ জয় কৰাৰ এক অদম্য আশা। তেওঁৰ গীতসমূহ কেৱল শব্দৰ সমষ্টি নহয়, বৰঞ্চ ই একো একোটা অনুভৱৰ গাথাঁ। তেওঁৰ কণ্ঠ মাথোঁ এটা সুৰৰ যন্ত্ৰ নাছিল, সেই কণ্ঠ আছিল লাখ লাখ মানুহৰ অব্যক্ত যন্ত্ৰণা, নিৰাশা, আশা আৰু প্ৰেমৰ এক জীৱন্ত দলিল। যন্ত্ৰণাৰ গভীৰতাৰ পৰাই যেতিয়া আশাৰ সুৰ বাজি উঠে, তেতিয়াই জন্ম হয় এক অমৰ শিল্পীৰ। সেই অমৰ শিল্পীৰ জীৱন্ত প্ৰতীক হ'ল হিচাপে আমাৰ জুবিন গাৰ্গ।

যন্ত্ৰণাৰ দস্তাবেজ হিচাপে জুবিন গাৰ্গৰ সুৰ তেওঁৰ বহু গীতত এক প্ৰকাৰৰ অন্তৰ্নিহিত যন্ত্ৰণা স্ফুটি উঠে। তেওঁৰ কণ্ঠত থকা এক অনন্য বিষাদগ্ৰস্ততাই শ্ৰোতাৰ হৃদয়ৰ গভীৰ কোণ স্পৰ্শ কৰে, বিশেষকৈ তেওঁৰ বিৰহৰ গীতবোৰত নিজকে হেৰুৱাই পেলোৱাৰ যি আৰ্তনাদ থাকে সেয়া যেন আধুনিক মানুহৰ একাকীত্বৰেই প্ৰতিধ্বনি। জুবিন গাৰ্গৰ যন্ত্ৰণা কেৱল গীতত আবদ্ধ নহয়, তেওঁৰ ব্যক্তিগত জীৱনৰ ঘাত-প্ৰতিঘাত, আপোনজনক হেৰুওৱাৰ বেদনা আৰু নেতিবাচক চৰ্চাৰ মাজতো তেওঁ যি যন্ত্ৰণা ভোগ কৰিছে সেই সকলোবোৰ তেওঁৰ সুৰত প্ৰাণ পাই উঠিছে।

যন্ত্ৰণাৰ পৰা মুক্তিৰ পথ যন্ত্ৰণাৰ মাজত ডুবি থকাই জুবিন গাৰ্গৰ শেষ পৰিচয় নহয়। তেওঁৰ সংগীতৰ আটাইতকৈ শক্তিশালী দিশটো বিষাদ বা যন্ত্ৰণাৰ শেষত আশাৰ পোহৰ দেখুওৱা। তেওঁৰ গীতত এক বিদ্ৰোহী সত্তা লুকাই থাকে, যিয়ে কব খোজে যে যন্ত্ৰণাই মানুহক ভাঙিব নোৱাৰে। তেওঁৰ 'যাত্ৰা'; 'পাখি' বা বহুতো আধুনিক গীতত সুৰ প্ৰকাশৰ বাবে সাহস যোগায়। যন্ত্ৰণাক তেওঁ এক শক্তিলৈ ৰূপান্তৰ কৰে। তেওঁৰ সুৰৰ আশা কেৱল মঞ্চতে সীমাবদ্ধ নহয়। বানপীড়িতক সহায় কৰাই হওঁক বা আৰ্তজনক চিকিৎসাত সহায় কৰাই হওঁক, তেওঁ নিজৰ কৰ্মৰে সমাজত আশাৰ বীজ সিঁচি থৈ গৈছে। জুবিন গাৰ্গে সংগীত জগতলৈ যি নৱজাগৰণ আনিলে, সেয়া অতুলনীয়। তেওঁৰ সুৰত যন্ত্ৰণা আৰু আশাৰ যি সহাৱস্থান সেয়া আজিৰ যান্ত্ৰিক যুগত মানুহৰ বাবে এক ডাঙৰ আশ্ৰয়স্থল। তেওঁৰ গীত শুনি হাজাৰজন হতাশাগ্ৰস্ত প্ৰতিজন ব্যক্তিয়ে নতুনকৈ জীয়াই থকাৰ সপোন দেখে।

জুবিন গাৰ্গ এক বিৰল প্ৰতিভাৰ গৰাকী আছিল। যন্ত্ৰণাৰ ধুমুহাৰ মাজতে আমাৰ চাকিটি জ্বলাই ৰখাৰ যি ক্ষমতা তেওঁৰ আছে, সেয়াই তেওঁক জনসাধাৰণৰ হাৰ্টথ্ৰব কৰি ৰাখিছে। যন্ত্ৰণাৰ সুৰত আমাৰ এই প্ৰতিধ্বনি অনুষ্ঠানভাৰে চিৰকাল সমাজত গুঞ্জৰিত হৈ থাকিব আৰু প্ৰতিটো প্ৰজন্মৰ বাবে নিৰাশাৰ মাজতো আমাৰ বন্তি জ্বলাই থাকিব।

— পৰি দত্ত
ষষ্ঠ ষাণ্মাসিক

# आत्म-खोज का महत्त्व

आज की तेज दुनिया में लोग ज्यादातर बाहरी सफलता पर ध्यान देते हैं और खुद को समझना भूल जाते हैं। आत्म-खोज का मतलब है खुद को जानना - अपनी ताकत, कमजोरी, पसंद और सोच को समझना। इससे हम सही फैसले ले पाते हैं और अच्छा जीवन जी सकते हैं।

कॉलेज का समय नयी चीजें सीखने और अपनी पसंद समझने का सबसे अच्छा समय होता है। इस दौरान उलझन होना बिलकुल सामान्यता है, क्योंकि इसी से हम आगे बढ़ना सीखना हैं। ये अनुभव हमें मजबूत बनाते और सही रास्ता दिखाते हैं।

आत्म-खोज से हमें यह समझ आता है कि हमें जीवन में क्या करना है और किस दिशा में जाना है जब हम खुद को समझने लगते हैं, तो हमारा आत्मविश्वास बढ़ता हैं और हम फैसले खुद लेने लगते हैं। आत्म-खोज से हम अपने डर और कमजोरियों को पहचानते हैं। जब हम अपने उन्हें स्वीकार करते हैं, तभी उन्हें सुधार सकते हैं। अपनी ताकत को जानकर हम उसे और बेहतर बना सकते हैं। इससे हमारा आत्मविश्वास बढ़ता है और हम बिना डर के फैसले ले पाते हैं। साथ ही, यह हमें मानसिक शांति भी देती है और हम दूसरों से तुलना करना कम कर देते हैं।

अंत में, आत्म-खोज एक दिन में पूरी नहीं होती। यह एक लंबी प्रक्रिया है जिसमें हम हर दिन नया सीखते हैं और खुद को बेहतर बनाते हैं। यही हमें एक अच्छा और समझदार इंसान बनाती है।



- शर्मिमाला बोराह
BA 6th Semester

# The Unruly Spirit

Youth is often described as a stage of life marked by rapid change, energy, passion and boundless possibility. It is a time where youth's refuses to accept the world as it is. They are liked double edged sword, that are often to have two faces. They are often criticized as chaos, undisciplined but at the same time they are powerful, unpredictable and have the potential to bring a change in society and also struggle for self-definition.

The unruly spirit of youth's often tend to break restrictions and develop their opinions and values. Youth's doesn't walk; it runs, it doesn't whispers, it questions, and speaks for the truth. They are more willing to take risks, explore the unknown and dream beyond limits, also influences young individuals.

However, youth's can also appear recklessly, it can lead to confusion, conflict and regret. They may resist rules and questions authority without fully understanding it, this can create conflict and many people consider it as irresponsible and chaotic. Yet, it also reflects the process of growth where question to it leads to learning and maturity. They seemed to be uncontrollable but if they are mentored and guided, they can change everything.

Importantly, the youth's has played a significant role in shaping history. Every great transformation social or cultural revolutions have been often played by young individuals. Their refusal to blindly accept authority has often paved the way for progress and reform.

In conclusion, youth's unruly spirit is not a flow, they shouldn't be silenced but need to be nurtured and mentored. Their goal is to bring meaningful change proving what seems unruly is transformative, society should recognize it as an opportunity to bring lastly change.

— Niharika Gogoi
B.A 2nd Semester

# Humans Needs Humans

Human beings are not meant to live alone. From childhood to old age, we rely on others in many ways. We need people not just for basic support, but also for emotional strength and happiness. Life feels more emotional and meaningful when it is shared with others. Being connected to others help us grow. When we talk, listen, and spend time together, we learn new things and understand different perspectives. Relationships teach us how to care, share, and support one another. These lessons shape our personality and make us better individuals.

In difficult times, people become our greatest support. A few kind words or the presence of someone who understands us, can make a big difference. It gives us courage to face challenges and move forward. Without such support, problems can feel heavier and harder to handle. Even though technology allows us to communicate easily, it cannot replace real human connection. Seeing someone, hearing their voice, and feeling their presence brings a sense of comfort that screens cannot provide.

In simple words, humans needs humans because we are connected by nature. Our lives become richer, stronger, more meaningful with others.

— Himangkhee Dutta
B.A 6th Semester

# THE WAR WITHIN: A BATTLE WITHOUT WEAPONS

When we hear the word "war", we usually think of soldiers, borders, and loud explosions. But there is another kind of war - a war that is silent and invisible, fought every single day. This is the war within ourselves.

As students, we are all soldiers in our own ways. Our battlefield isn't a piece of land, It is our own minds. We fought against the fear of failure, the pressure of expectations, and the shadows of our own insecurities.

Sometimes, the hardest enemy to defeat is the voice inside our head that says, "You are not good enough".

This internal war doesn't have a ceasefire. It continues when we stay up late at night worrying about our future, or when we put on a smile for the world while feeling lost inside. We struggle to balance who we are with who the world wants us to be.

But here is the truth: every scar from this silent war is a mark of strength. Every time you choose to get up and attend a class despite feeling overwhelmed, you win a battle. Every time you choose kindness over anger, or hope over despair, you are a conqueror.

True victory isn't about defeating others, it is about mastering yourself. You don't need a medal to be a hero. Staying brave in a world that tries to break you is the greatest victory of all. So, keep fighting your silent battles with grace, because the strongest soldiers are those who carry heavy hearts but never stop walking.

— Priyankhi Dutta
B.A 6th Semester

# The Pressure To Be Perfect In Modern Society

In modern society, the idea of perfection has become more powerful than ever. People are constantly expected to look perfect, behave perfectly, and achieve success at an early age. This growing pressure to be perfect has become a significant social issue, especially among youth.

One of the main reasons behind this pressure is social media. Everyday, people see carefully presented images of success, beauty and happiness. These images often show only positive side of life, creating unrealistic standards. As a result, individuals begin to compare themselves with others and feel dissatisfied with their own lives. This comparison creates stress and lowers self-confidence.

Modern society also places high expectations on individuals. Students are expected to achieve excellent academic results, build successful careers, and maintain a perfect social life. Many young people feel they must succeed in every aspect of life. This constant pressure can lead to anxiety, fear of failure, and emotional exhaustion.

Another factor contributing to this issue is competition. With increasing opportunities, competition has also grown. People feel the need to constantly prove themselves. Instead of focusing on personal growth, individuals begin to chase perfection. However, perfection is unrealistic, and everyone has strengths and weaknesses. Accepting imperfections is essential for personal growth and mental well-being. Society should encourage effort, learning, and individuality rather than perfection.

In conclusion, the pressure to be perfect is becoming a silent challenge in modern society. Reducing unrealistic expectations and promoting self-acceptance can help individuals lead healthier and more balanced lives.

– Tanvi Barla
B.A 6th Semester

# গ্রন্থ পর্যালোচনা

# BOOK REVIEW

# গ্ৰন্থ পৰ্যালোচনা
# 'মোৰ সত্য অন্বেষণৰ কাহিনী'

মহাত্মা গান্ধী 'মোৰ সত্য অন্বেষণৰ কাহিনী' কেৱল এজন ব্যক্তিৰ জীৱনৰ দস্তাবেজ নহয়, ই সত্য আৰু নৈতিকতাৰ এক ব্যৱহাৰিক পৰীক্ষাগাৰ, 'অমিয় কুমাৰ দাসৰ' সাৱলীল অনুবাদে এই বিশ্ববিখ্যাত গ্ৰন্থখনক অসমীয়া পাঠকৰ বাবে আপোন কৰি তুলিছে।

গ্ৰন্থখনৰ আটাইতকৈ বলিষ্ঠ দিশটো হ'ল লেখকৰ নিৰ্ভীকতা আৰু স্বচ্ছতা, এগৰাকী বিশ্বনেতা হৈও নিজৰ শৈশৱৰ ভুল, বিফলতা, মাংস ভক্ষণ বা পত্নীৰ সৈতে হোৱা মনোমালিন্যৰ দৰে ব্যক্তিগত কথাবোৰ যি সততাৰে তেওঁ স্বীকাৰ কৰিছে, সেয়া বিৰল। এই আত্মসমালোচনাসমূহে দুৰ্বলতাপূৰ্ণ? মানুহৰ সৈতে চিনাকি কৰাই দিয়ে, যিয়ে ভুলৰ মাজেৰেই মহত্ব লাভ কৰিছিল। গান্ধীৰ জীৱনৰ মূল আধাৰ সত্যাগ্ৰহ আৰু অহিংসাৰ ক্ৰমবিকাশ এই গ্ৰন্থত সুন্দৰকৈ ফুটি উঠিছে। বিশেষকৈ দক্ষিণ আফ্ৰিকাৰ বৰ্ণবৈষম্যৰ বিৰুদ্ধে কৰা সংগ্ৰামে কেনেকৈ তেওঁৰ পৰৱৰ্তী ভাৰতীয় স্বাধীনতা আন্দোলনৰ ভেটি গঢ়িছিল সেই বিষয়ে গ্ৰন্থখনে ঐতিহাসিক আৰু দাৰ্শনিক আলোকপাত কৰে। অস্পৃশ্যতা বৰ্জন আৰু গ্ৰাম্য স্বাৱলম্বনৰ বাৰ্তাই তেওঁৰ সামাজিক দায়বদ্ধতাৰ পৰিচয় দিয়ে।

আলোচনাটোত কস্তুৰীবা গান্ধীৰ প্ৰসংগ বিশেষভাৱে উল্লেখনীয়, গান্ধীয়ে অকপটে স্বীকাৰ কৰিছে যে তেওঁৰ অহিংসা আৰু ধৈৰ্যৰ দৰ্শন বহুলাংশে কস্তুৰীবাৰ মৌন সহনশীলতাৰ পৰা আহিছিল। মহিলাসকলক স্বাধীনতা সংগ্ৰামলৈ টানি আনি আৰু তেওঁলোকক শক্তি হিচাপে মৰ্যাদা দিয়াৰ ক্ষেত্ৰত গান্ধীৰ ভূমিকা আছিল যুগান্তকাৰী।

গ্ৰন্থখনৰ গদ্যশৈলী অত্যন্ত সৰল আৰু প্ৰত্যক্ষ। অমিয় কুমাৰ দাসে মূল গ্ৰন্থৰ আত্মা ধৰি ৰাখি অসমীয়া ভাষাত যি সহজ-সৰল ৰূপত অনুবাদ কৰিছে সেয়া প্ৰশংসনীয়। কোনো ধৰণৰ পাণ্ডিত্যপূৰ্ণ জটিলতা নোহোৱাকৈ তেওঁ গভীৰ আধ্যাত্মিক আৰু নৈতিক কথা পাঠকলৈ আগবঢ়াই দিছে। গ্ৰন্থখনৰ একমাত্ৰ সীমাবদ্ধতা হ'ল যে ই ১৯২১ চনৰ পৰৱৰ্তী গান্ধীৰ জীৱন আৰু ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ এক বৃহৎ অংশ সামৰি লোৱা নাই। ইয়াৰ উপৰি বিজ্ঞানমান? ব্যক্তিগত পৰীক্ষা-নিৰীক্ষাৰ বৰ্ণনা আধুনিক প্ৰেক্ষাপটত বিতৰ্কিত যেন বোধ হ'ব পাৰে।

গ্ৰন্থখনৰ নামৰ সাৰ্থকতা অৰ্থাৎ 'সত্য অন্বেষণ' কেনেকৈ তেওঁৰ জীৱনৰ প্ৰতিটো সৰু বৰ পৰীক্ষাৰ সৈতে জড়িত আছিল, সেই দিশটোৱে মোৰ মনত এক গভীৰ প্ৰভাৱ পেলাইছে। নিজৰ জীৱনক এখন খোল খোৱা কিতাপৰ দৰে উপস্থাপন কৰাৰ যি প্ৰচেষ্টা সেয়াই মোক আটাইতকৈ বেছি প্ৰেৰণা যোগাইছে।

– ৰিংকুমনি গগৈ
দ্বিতীয় ষাণ্মাসিক

# গ্ৰন্থ পৰ্যালোচনা
# 'মোৰো এটা সপোন আছে'

ড° ৰুবুল মাটৰ আত্মজীৱনীমূলক গ্ৰন্থ 'মোৰো এটা সপোন আছে' কেৱল এজন ব্যক্তিৰ সফলতাৰ কাহিনী নহয়, বৰঞ্চ ই হ'ল প্ৰতিকূলতাৰ বিৰুদ্ধে যুঁজ দি থকা হেজাৰ জনৰ বাবে এক আশাৰ আলোকবৰ্তিকা। গ্ৰন্থখনৰ লেখক ড° ৰুবুল মাটৰ বৰ্তমান সময়ৰ এজন বিশ্ববিখ্যাত অসমীয়া জীৱবিজ্ঞানী আৰু গৱেষক, যাৰ জন্ম হৈছিল তিনিচুকীয়া জিলাৰ কাকপথাৰৰ এক অতি দৰিদ্ৰ পৰিয়ালত। শৈশৱত চৰম আৰ্থিক অনাটন আৰু উপৰ্যুপৰি সমস্যাৰ বিভীষিকাৰ মাজতে ডাঙৰ-দীঘল হোৱা মাটৰে চাকৰি খোহৰত আৰু বাঁহৰ চাঙক টেবুল হিচাপে ব্যৱহাৰ কৰি পঢ়া-শুনা কৰিছিল। পঢ়াৰ খৰচ উলিয়াবলৈ তেওঁ ৰাস্তাত বনুৱাৰ কাম কৰাৰ পৰা আৰম্ভ কৰি বজাৰত শাক-পাচলি বিক্ৰী কৰালৈকে সকলো কৰিছিল যদিও তেওঁৰ বুকুত থকা অদম্য সপোনে তেওঁক কেতিয়াও থমকি ৰবলৈ দিয়া নাছিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লৈ আৰু পৰৱৰ্তী সময়ত পুনেৰ টাটা মৌলিক গৱেষণা প্ৰতিষ্ঠানৰ (TIFR) পৰা গৱেষণা কৰি আমেৰিকাৰ মাচাচুচেটছ বিশ্ববিদ্যালয়ত ডক্টৰেট ডিগ্ৰী লাভ কৰা তেওঁৰ এই অবিশ্বাস্য যাত্ৰাই প্ৰমাণ কৰে যে জন্মগত দৰিদ্ৰতা কেতিয়াও সেৱা আৰু ইচ্ছাশক্তিৰ হেঙাৰ হ'ব নোৱাৰে।

গ্ৰন্থখনত লেখকে তেওঁৰ জীৱনৰ সংগ্ৰামৰ কাহিনী অতি সৰল আৰু আৱেগিক ভাষাৰে বৰ্ণনা কৰিছে. যত শৈশৱ, সংগ্ৰাম, সুযোগ আৰু দেউতাৰ অসুখ - এই চাৰিটা খণ্ডৰ জৰিয়তে তেওঁৰ জীৱনৰ গুৰুত্বপূৰ্ণ মোৰবোৰ প্ৰকাশ পাইছে। লেখকে নিজৰ দোষ-দুৰ্বলতা, হীনমন্যতাবোধ আৰু ইংৰাজী ক'ব নোৱাৰা সমস্যাবোৰক লুকুৱাই নাৰাখি কেনেকৈ সেইবোৰক কঠোৰ পৰিশ্ৰমৰ জৰিয়তে অতিক্ৰম কৰিলে, তাৰ এক নিভাজ ছবি ইয়াত দাঙি ধৰিছে। বিশেষকৈ দেউতাকৰ পাৰকিনচন ৰোগত আক্ৰান্ত হোৱাৰ খবৰটো পোৱাৰ পাছত তেওঁৰ মনত চলা ধুমুহা আৰু বিজ্ঞানৰ জটিল 'জিন এডিটিং' প্ৰযুক্তিক দেউতাকৰ ৰোগৰ সৈতে সংযোগ কৰি কৰা

ব্যাখ্যামূলক বৰ্ণনাই পাঠকৰ হৃদয় স্পৰ্শ কৰে। লেখকে দৰিদ্ৰতাক অভিশাপ হিচাপে নলৈ তাক আশীৰ্বাদ আৰু এক প্ৰত্যাহ্বান হিচাপে গ্ৰহণ কৰিছে।

'মোৰো এটা সপোন আছে' মূলতঃ এখন আত্মজীৱনীমূলক গ্ৰন্থ। ইয়াৰ সন্নিবিষ্ট হৈছে কঠোৰ সংগ্ৰামেৰে পাৰ কৰা ড° ছাত্তাৰ শৈশৱ কৈশোৰ তথা জীৱনৰ ঘাত-প্ৰতিঘাত, আমেৰিকাত কৰা বৈজ্ঞানিক উদ্ভাৱন আৰু অভ্যাগত শিশুৰ সৈতে সম্পৰ্কিত এক সংবেদনশীল কাহিনী। সামগ্ৰিকভাৱে কবলৈ গ'লে, এই গ্ৰন্থখন প্ৰতিগৰাকী শিক্ষাৰ্থী আৰু অভিভাৱকৰ বাবে এক অপৰিহাৰ্য পাঠ। ইয়াৰ জীৱনৰ সত্যতা, ত্যাগ আৰু সফলতাৰ মূলমন্ত্ৰ। এই গ্ৰন্থখনে আমাক শিকায় যে সপোন যিমানেই ডাঙৰ নহওক কিয়, যদি তাক পূৰণ কৰাৰ বাবে প্ৰবল একাগ্ৰতা থাকে, তেন্তে এদিন সফলতা লাভ কৰাটো নিশ্চিত। ড° ৰুবুল ছাত্তাৰ এই জীৱনগাথা প্ৰতিজন অসমীয়াৰ বাবে গৌৰৱৰ বিষয় আৰু নৱ-প্ৰজন্মৰ বাবে জীৱন গঢ়াৰ এক শ্ৰেষ্ঠ অনুপ্ৰেৰণা। প্ৰতিজন অসমীয়াই গৰ্ব কৰিব পৰা আৰু অনুপ্ৰাণিত হ'ব পৰা এইখন এখন অনন্য সৃষ্টি।

— জ্যোতিষ্মা দত্ত
ষষ্ঠ ষাণ্মাসিক

# ব্যংগ ৰচনা

# SATTIRE

# এগৰাকী ছাত্ৰীৰ দৃষ্টিত দুৰ্নীতি

মই এগৰাকী সাধাৰণ ছাত্ৰী। ৰাজনীতিৰ গভীৰ জ্ঞান মোৰ নাই, কিন্তু দৈনন্দিন জীৱনত প্ৰত্যক্ষ কৰা কিছুমান ঘটনাই মোক গভীৰভাৱে চিন্তা কৰিবলৈ বাধ্য কৰে। পাঠ্যপুথিত মই পঢ়িবলৈ পাওঁ যে দেশৰ উন্নতিৰ পথত আগবাঢ়িছে আৰু দুৰ্নীতিৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। কিন্তু বাস্তৱ জীৱনত কেতিয়াবা ইয়াৰ বিপৰীত দৃশ্যহে দেখা যায়। কিছুমান কাম যিবোৰ অতি সহজতে বা নিয়মৰ মাজেৰে সম্পন্ন হ'ব লাগে, সেইবোৰৰ বাবেও কেতিয়াবা "অতিৰিক্ত সুবিধা" বা অনৈতিক পথৰ প্ৰয়োজন হোৱা যেন অনুভৱ হয়। এগৰাকী ছাত্ৰী হিচাপে মই ভাবোঁ - যদি অফিচসমূহৰ সকলোৱে নিয়ম-নীতিসমূহ সঠিকভাৱে মানি চলা হ'লহেঁতেন, তেন্তে হয়তো এই সমস্যাবোৰে ইমান ভয়ংকৰ ৰূপ ধাৰণ নকৰিলেহেঁতেন। আমি যুৱ প্ৰজন্মই সদায় সততা আৰু ন্যায়ৰ পথ বাছি ল'বলৈ দৃঢ় সংকল্পবদ্ধ হোৱা উচিত।

মোৰ দৰে বহু ছাত্ৰ-ছাত্ৰীয়ে এখন দুৰ্নীতিমুক্ত আৰু সুস্থ সমাজৰ সপোন দেখে, য'ত কেৱল কষ্ট আৰু যোগ্যতাৰ ভিত্তিতেই সফলতা লাভ কৰিব পাৰি, অন্য কোনো চুটি পথৰ প্ৰয়োজন নহয়।

শেষত, মোৰ দৃঢ় বিশ্বাস —

"দুৰ্নীতিৰ বিৰুদ্ধে পৰিৱৰ্তন আনিবলৈ কেৱল উচ্চ পদস্থ বিষয়াই নহয়, বৰঞ্চ আমাৰ দৰে সাধাৰণ ছাত্ৰ-ছাত্ৰীৰ সৎ চিন্তা আৰু সঠিক পদক্ষেপৰো অতি প্ৰয়োজন।"

নিকিতা শইকীয়া
ষষ্ঠ ষাণ্মাসিক

আমাৰ হাতত থকা দামী স্মাৰ্টফোন বা স্মাৰ্ট ঘড়ীয়ে আমাক প্ৰকৃত আধুনিক কৰিব নোৱাৰে। গতিকে আহক, চকু দুটা মুদি কিবা এটা বিশ্বাস কৰাৰ সলনি চকু দুটা মেলি সমাজখনৰ অসংগতিবোৰক অলপ হাঁহিবলৈ শিকোঁ। কাৰণ, অন্ধবিশ্বাসৰ অনৈতিকতাক ফলপ্ৰসূ ঔষধটোৱেই হ'ল 'যুক্তি' আৰু অলপ 'হাঁহি'।

ঝৰ্ণা সোনোৱাল
ষষ্ঠ ষাণ্মাসিক

# অন্যান্য

# OTHERS

# মহৎলোকৰ বাণী

১/ কাল ৰাত্ৰিৰ বুকুত যেনেকৈ প্ৰভাত
লুকাই থাকে, তেনেকৈ পাছে পাছে
পৰাজয়ৰ পাছতো জয় নিশ্চিত।
জীৱনৰ তাতেই সাৰ্থকতা।
— ড° ভূপেন হাজৰিকা।

২/ মানুহক দুখ দি ঈশ্বৰক পূজা কৰি লাভ
নাই, দুখীজনৰ মুখত হাঁহি বিৰিঙাব পাৰিলেই
ঈশ্বৰক সেৱা কৰা হয়।
— জুবিন গাৰ্গ।

৩/ এখন ভাল কিতাপ নষ্ট কৰা আৰু
এজন ভাল মানুহ হত্যা কৰা একে কথা।
— মিল্টন

৪/ এটা বন্দুকৰ গুলীতকৈ এটোপ চিয়াঁহীৰ
মূল্য বেছি।
— মাদাৰ টেৰেছা।

৫/ আমি এনে শিক্ষা বিচাৰোঁ যি
শিক্ষাই আমাক চৰিত্ৰৱান হবলৈ শিকাব,
মনৰ দৃঢ়তা বৃদ্ধি কৰিব, মেধাৰ প্ৰসাৰ ঘটাব
আৰু নিজৰ ভৰিত থিয় হবলৈ সক্ষম কৰাব।
— স্বামী বিবেকানন্দ।

৬/ কিতাপ নথকা জাতিক গামোচাই বচাব
নোৱাৰে।
— জুবিন গাৰ্গ।

# QUOTES OF GREAT PEOPLE

- "Don't take rest after your first victory because if you fail in second, more lips are waiting to say that your first victory was just luck."

  – A. P. J. Abdul Kalam

- "Everything you can imagine is real."

  – Pablo Picasso.

- "We know what we are, but know not what we may be."

  – William Shakespeare

- "I don't believe in taking right decisions. I take decisions and them make them right."

  – Ratan Tata

- "Humanity should always come before everything."

  – Bhupen Hazarika

- "Life is like riding a bicycle. To keep your balance, you must keep moving."

  – Albert Einstein

- "You must be the change you wish to see in the world. If we could change ourselves, the tendencies in the world would also change."

  – Mahatma Gandhi

- "Happiness is not something ready-made. It comes from your own actions. If you want others to be happy, practice compassion."

  – Dalai Lama

# কুইজ

১/ ভাৰতীয় মহাকাশ গৱেষণা সংস্থা (ISRO) কোন চনত স্থাপন হয়?
উত্তৰ: ১৯৬৯ চনৰ ১৫ আগষ্ট।

২/ প্ৰথম অসমীয়া সংবাদ পত্ৰখনৰ নাম কি?
উত্তৰ: অৰুণোদয়।

৩/ কোনটো এলবামৰ যোগেদি জুবিন গাৰ্গে সংগীতত জগত খোজ পেলাইছিল?
উত্তৰ: অনামিকা।

৪/ কোনখন অসমীয়া কথাছবিৰ বাবে জুবিন গাৰ্গে সংগীত পৰিচালক হিচাপে ৰাষ্ট্ৰীয় বঁটা লাভ কৰিছিল?
উত্তৰ: মন যায়।

৫/ অসমৰ প্ৰথমটো তেল শোধনাগাৰ কেতিয়া কত স্থাপিত কৰা হৈছিল?
উত্তৰ: ১৯০১ চনত ডিগবৈত।

৬/ ভাৰতৰ ৰাষ্ট্ৰভাষা কি?
উত্তৰ: হিন্দী।

৭/ মৰণোত্তৰভাৱে মুক্তি লাভ কৰা জুবিন গাৰ্গৰ অন্তিমখন ছবি কি?
উত্তৰ: ৰৈ ৰৈ বিনালে।

৮/ মহাকাশলৈ যোৱা প্ৰথম ভাৰতীয় মহিলা কোন?
উত্তৰ: কল্পনা চাওলা।

# Quiz

1. Which river in Assam is known as the "Lifeline of Assam"?

-> Brahmaputra River.

2. What is the real name of Zubeen Garg?

-> Zubeen Borthakur.

3. Which place in Assam is known as the "Tea City of India"?

-> Dibrugarh

4. Which freedom fighter from Assam is known as the "Birangana"?

-> Kanaklata Barua

5. Which war affected global fuel and food prices recently?

-> Russia - Ukraine war.

6. Which assamese movie made Zubeen Garg popular as a music director?

-> Tumi Mur Mathu Mur

7. Which assamese album made Zubeen Garg extremely popular among youth?

-> Anamika



– Sanskriti Dutta
BA 4th Semester

This sketch shows a journalist or radio broadcaster at a desk with a microphone and headphones. Instead of a normal head and body, he has huge wings growing from his back. Wings represent **'freedom of speech'**, the ability for news and truth to travel, spread, and **"fly"** to the public.

But a large red clothespin is clamped onto the wings, holding them thick wings tightly shut. That clothespin stands for censorship. It's the press from operating freely.

**Meaning:** Even when journalists are present and ready to report, censorship clips their wings. Their voice can't take flight. The art says that controlling or suppressing the media prevents truth and information from reaching society. It's a protest against curbing press freedom and shows how censorship grounds the very thing that's meant to soar.



– Sanskriti Dutta
BA 4th Semester